অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : AJB/M/FD/89/21
Ref :

তাৰিখ : ০১-০১-২০২১
Date :

# Assam Jatiya Bidyalay Celebrates Foundation Day

**<u>Guwahati, January 1</u> :** Assam Jatiya Bidyalay Celebrated its 28th Foundation day today on its school campus stringently adhering to the protocol of COVID-19. The programme started at 9 am with the hoisting of the school Flag, where all the teachers, students, guardians and the members of the management committee sang the state anthem. After the welcome speech by the Principal Mr. Ghanashyam Medhi, the 'Bidyalay Sangeet' was performed by a group of teachers of the school. Mr. Ranjit Narayan Deka, the Rector of the school distributed birthday cards among the students born on January 1. Mr. Prasantajyoti Baruah, the executive editor of The Assam Tribune was present as the chief guest of the function. He urged the students to be forerunners in preserving the integrity and identity of Assamese community and culture. After the speech a 'Borgeet' was performed by a group of students of the school. Prominent Assamese story writer Mrs. Manika Devee released the 26th edition of 'Bakhar', the annual magazine of the school. In today's programme scholarship for the session 2019-20 was conferred to the successful students. Dr. Narayan Sharma, the secretary of the management committee spoke on the occasion. The whole programme was anchored by Madhurjya Jayanta Kalita and Sangsthita Sarma of class IX. Mrs. Kabita Patgiri, the Head of the Assamese department of the school was the convenor of the programme.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/স/প্ৰদি/৮৯/২১ তাৰিখ : ০১-০১-২০২১
Ref : Date :

## অসম জাতীয় বিদ্যালয়ৰ অষ্টবিংশতিতম প্ৰতিষ্ঠা দিৱস

**১ জানুৱাৰী, গুৱাহাটী** : অসম জাতীয় বিদ্যালয়ৰ অষ্টবিংশতিতম (২৮ সংখ্যক) প্ৰতিষ্ঠা দিৱস আজি বিদ্যালয়ৰ মুকলি মঞ্চত সম্পূৰ্ণ ক'ভিড নীতি-নিয়মৰ মাজেৰে অনুষ্ঠিত হয়। বিদ্যালয়ৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ইয়াৰ পিছতেই বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদ্যালয় সংগীত পৰিৱেশন কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে দি আছাম ট্ৰিবিউন কাকতৰ কাৰ্য্যবাহী সম্পাদক প্ৰশান্তজ্যোতি বৰুৱাই। ভাষণ প্ৰসংগত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক জাতিৰ হকে, ভাষাৰ হকে একো একোজন সৈনিক হ'বলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ'ৰ ষষ্ঠবিংশতিতম সংখ্যাটি উন্মোচন কৰে বিশিষ্ট গল্পকাৰ মণিকা দেৱীয়ে। মুখপত্ৰ উন্মোচন কৰি তেওঁ ক'ভিড-১৯-এ সৃষ্টি কৰা প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত 'বাখৰ' প্ৰকাশ হোৱাটো সুখৰ বিষয় বুলি মন্তব্য কৰে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীৰ সুস্থ ৰুচিবোধ গঠনত বিদ্যালয়ৰ ভূমিকাৰ শলাগ লয়। অনুষ্ঠানত পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ অভিজ্ঞতাৰ পৰা শিক্ষা আহৰণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। আজিৰ অনুষ্ঠানতে ২০১৯-২০ বৰ্ষৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক বৃত্তি প্ৰদান কৰাৰ লগতে বিদ্যালয়ত নতুনকৈ যোগদান কৰা শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলক আনুষ্ঠানিকভাৱে চিনাকি কৰাই দিয়া হয়। অনুষ্ঠানত বিদ্যালয়ৰ একাংশ ছাত্ৰীয়ে মহাপুৰুষ মাধৱদেৱৰ বিৰচিত এটা বৰগীত পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষ অপৰাজিতা বৰাই। আজিৰ অনুষ্ঠানৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী মাধুৰ্য্য জয়ন্ত কলিতা আৰু সংস্থিতা শৰ্মাই। অনুষ্ঠানটিৰ আহ্বায়ক হিচাপে সামগ্ৰিক পৰিচালনাৰ দায়িত্বত আছিল বিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী কবিতা পাটগিৰি।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়